অধ্যায় ৪ ঃ ব্যক্তিত্ব অভীক্ষা (PERSONALITY TEST)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ব্যক্তিত্ব অভীক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
৪.৪ মহী চিহ্ন অভীক্ষা
৪.৫ কাহিনী সংবোধন অভীক্ষা
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যক্তিত্ব অভীক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব চিনাক্ত কৰিব পাৰিব
- মহী চিহ্ন অভীক্ষাৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- ব্যক্তিত্ব মূল্যায়ন কৰাত কাহিনী সংবোধন অভীক্ষাৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

ব্যক্তি, পৰিস্থিতি, অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ মূল্যায়ন, জোখ আৰু পৰীক্ষণৰ বাবে অভীক্ষাৰ প্ৰয়োজনীয়তা আছে। কোনো প্ৰণালী অথবা ব্যক্তিৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ ফলাফল বাহিৰ কৰিবলৈ এনে অভীক্ষাবোৰক আধাৰ হিচাপে লৈ অন্য কাৰ্য-কলাপ সম্পাদন কৰা হয়। কোনো সমস্যাৰ সমাধান বাহিৰ কৰিবলৈ প্ৰথমে সমস্যাটোৰ এক প্ৰণালীৱদ্ধ অধ্যয়ন কৰাত এই অভীক্ষাবোৰে সহায় কৰে। অৰ্থাৎ, অভীক্ষাৰ দ্বাৰা আমি কোনো এটা প্ৰণালী সঠিক দিশেৰে পৰিচালিত হৈ আছেনে নাই সেয়া গম পাওঁ। এটা শৈক্ষিক প্ৰতিষ্ঠানত বিভিন্ন বিষয়ৰ ভাৰসাযোগ্যতা আৰু বৈধতা মূল্যায়ন তথা পৰীক্ষা কৰি চাবলৈ বিভিন্ন অভীক্ষাৰ সহায় লোৱাতো বাধ্যতামূলক। এই অভীক্ষাবোৰে আমাক ঈপ্সিত ফলাফল লাভ কৰিবলৈ বিষয়বোৰৰ প্ৰণালীৱদ্ধভাৱে নক্সা তৈয়াৰ কৰি লোৱাত আৰু কাৰ্য-পৰিকল্পনা যুগুত কৰি লোৱাত সহায় কৰে। কোনো এক নিৰ্দিষ্ট বিষয়বস্তুৰ ফলপ্ৰসূতা সুনিশ্চিত কৰিবলৈ কোনো বস্তু নাইবা প্ৰণালী নাইবা পৰিস্থিতিৰ লুকাই থকা সমস্যাবোৰ আঁতৰ কৰাৰ বাবে অভীক্ষাবোৰ কৰি চাবই লাগিব। এটা শৈক্ষিক প্ৰতিষ্ঠানত শিক্ষাৰ্থীৰ আচৰণ আৰু ব্যক্তিত্ব উপস্থাপন কৰিবলৈ বিভিন্ন মনোবৈজ্ঞানিক অভীক্ষাৰ সহায় লোৱা হয়। এই অধ্যায়ত আমি এনে কেইটামান কৌশলৰ গুৰুত্ব আলোচনা কৰিম যিকেইটা মানুহৰ ব্যক্তিত্বৰ মূল্যায়ন আৰু উপস্থাপনৰ বাবে অতি প্ৰয়োজনীয়।

৪.৩ ব্যক্তিত্ব অভীক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

ব্যক্তিত্বৰ ইংৰাজী প্ৰতিশব্দ ' Personality' ৰ মূল হ'ল লেটিন শব্দ ' Persona'। ইয়াৰ অৰ্থ হ'ল মুখা (mask)। মুখাৰ ধাৰণা অনুসৰি মুখা পিন্ধা ব্যক্তি এগৰাকীৰ সফলতা আৰু প্ৰভাৱেই হ'ল ' Personality'। মনোবৈজ্ঞানিকভাৱে ব্যক্তিত্ব হ'ল সামাজিক জীৱনত আনৰ চকুত ধৰা পৰা ব্যক্তিৰ শাৰীৰিক, মানসিক, নৈতিক আৰু সামাজিক গুণবোৰৰ সংহত আৰু গতিশীল সংগঠিত একক।

সৰ্বমুঠ মানৱীয় আচৰণৰ প্ৰতিফলনেই হ'ল ব্যক্তিত্ব। ব্যক্তিত্ব হল জটিল মানৱীয় আচৰণ, যেনে- আবেগ, কাৰ্য আৰু বোধ (চিন্তা) প্ৰক্ৰিয়াবোৰৰ বিষয়ে কৰা অধ্যয়নৰ এখন ক্ষেত্ৰ। মনোবৈজ্ঞানিকসকলে ব্যক্তিক ইজনৰ পৰা সিজনক পৃথক কৰা আচৰণৰ বিন্যাসবোৰ অধ্যয়ন কৰে। ব্যক্তিত্বৰ সংজ্ঞা দাঙি ধৰি এলপোৰ্টে (Allport) এইদৰে কৈছে- "ব্যক্তিত্ব হ'ল মানুহৰ সত্বাত থকা মনোবৈজ্ঞানিক প্ৰণালীবোৰৰ গতিশীল সংগঠিত একক যিটোৱে মানুহৰ পৰিবেশৰ সৈতে নিজস্ব ধৰণে খাপ খাব পৰা সামৰ্থ নিৰ্ধাৰণ কৰে।" এই সংজ্ঞাটো অতি বিস্তৃত আৰু ই ব্যক্তিৰ ব্যক্তিত্বৰ সকলোবোৰ দিশ সামৰি লয়। ইয়াত ব্যক্তিত্বক 'গতিশীল' (dynamic) বুলি কোৱাৰ কাৰণ হ'ল এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব অহৰহ পৰিৱৰ্তনৰ মাজেৰে গতি কৰি থাকে যদিও ইয়াৰ বিন্যাস সংগঠিত হৈয়েই থাকে। ব্যক্তিত্বই দুটা প্ৰণালী গঠন কৰে- মানসিক আৰু শাৰীৰিক। এই প্ৰণালী দুটাই আভ্যন্তৰীণ আৰু বাহ্যিক পৰিৱেশৰ সৈতে আন্তঃ ক্ৰিয়া সম্পন্ন কৰে। এলপোৰ্টৰ সংজ্ঞাত থকা 'নিৰ্ধাৰণ' শব্দটোৱে ব্যক্তিত্ব প্ৰণালীটোক মনো-সঞ্চালন প্ৰণালী বোলাত জোৰ দিছে। এই প্ৰণালীয়ে জীৱক কাৰ্য সম্পাদনৰ বাবে সক্ৰিয় কৰি তোলে।

সেয়েহে শৈক্ষিক প্ৰতিষ্ঠান এটাই শিক্ষাৰ্থীসকলৰ বিষয়ে ভালদৰে বুজিবলৈ প্ৰথমে তেঁওলোকৰ ব্যক্তিত্বৰ অধ্যয়ন কৰি লোৱাতো জৰুৰী। শ্ৰেণীকোঠাত ছাত্ৰৰ মনোভাৱ ভালদৰে বুজি পাবলৈ এগৰাকী শিক্ষকৰ বাবে মনোবৈজ্ঞানিক অন্তৰ্দৃষ্টি থকাতো অতি জৰুৰী। মনোবৈজ্ঞানিক অভিক্ষাবোৰে ছাত্ৰ-ছাত্ৰী, শিক্ষাৰ্থী আৰু ব্যক্তিৰ ব্যক্তিত্ব বুজাত সহায় কৰে। মনোবিজ্ঞানত ব্যক্তিত্বৰ সৈতে জড়িত বিভিন্ন সূত্ৰ আছে। এইবোৰে বিভিন্ন দিশেৰে মানুহৰ ব্যক্তিত্ব আলোচনা কৰে।

অভীক্ষাবোৰ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনে- মনোবৈজ্ঞানিক অভীক্ষা, শাৰীৰিক ক্ৰিয়া-কলাপভিত্তিক অভীক্ষা, বৈশিষ্ট্য নিৰূপক অভীক্ষা ইত্যাদি। শৈক্ষিক প্ৰতিষ্ঠান এটাত সাধাৰণতে মনোবৈজ্ঞানিক অভীক্ষাবোৰ প্ৰয়োগ কৰা হয়। এনে অভীক্ষাবোৰে সাধাৰণ বুদ্ধিমত্তা, বিশেষ ব্যুৎপত্তি, শৈক্ষিক সফলতা, বৃত্তিগত সামৰ্থ আৰু অ-বৌদ্ধিক ব্যক্তিত্ব বৈশিষ্ট্যৰ দৰে দিশবোৰত থকা গাইগুটীয়া পাৰ্থক্য নিৰ্ধাৰণ তথা বিশ্লেষণত সহায় কৰে। অ-বৌদ্ধিক ব্যক্তিত্ব বৈশিষ্ট্যবোৰ বয়স, লিংগ, জাতিগত সদস্যতা, বংশগত নাইবা পৰিৱেশজনিত কাৰণত লাভ কৰিব পৰা প্ৰভেদ, বিভিন্ন বৃত্তিগত পৰ্যায়ত মানুহৰ মাজত থাকিব পৰা প্ৰভেদ, মানসিক প্ৰতিভা-মানসিক বাধা গ্ৰস্ততা-স্নায়বিক বিকাৰগ্ৰস্ততা আৰু মানসিক বিকাৰগ্ৰস্ততাৰ সৈতে জড়িত।

মনোবৈজ্ঞানিক সকলে ব্যক্তিত্বৰ গঠন আৰু বিকাশ অধ্যয়ন কৰিবলৈ বহুতো সূত্ৰ ভাবি উলিয়াইছে। এগৰাকী ব্যক্তিয়ে দৈনন্দিন পৰিস্থিতিবোৰত কেনে প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে তাৰ সুনিৰ্দিষ্ট বৈশিষ্ট্যৰ মাজেদিয়েই ব্যক্তিগৰাকীৰ ব্যক্তিত্বৰ উমান পোৱা যায়। ব্যক্তিত্বই বহুকেইটা দিশ সামৰি লৈ সদায় একক পদ্ধতিৰে কাম কৰে। কিন্তু মনোবিজ্ঞানীসকলে বিভিন্ন দিশৰ পৰা ব্যক্তিত্বৰ পৰীক্ষা কৰি চোৱাৰ ওপৰত জোৰ দিছে। মানুহৰ প্ৰকাৰ, বৈশিষ্ট্য আৰু প্ৰকৃতি ইয়াৰ উদাহৰণ। এইবোৰ কাৰণতে ব্যক্তিত্বৰ বিষয়টো জটিল হৈ পৰিছে। এই আলোচনাকালত আটাইবোৰ প্ৰকাৰৰ সূত্ৰৰ বিষয়ে বৰ্ণনা কৰা সম্ভৱ নহ'ব। ব্যক্তিত্ব পৰীক্ষা কৰি মনোবিজ্ঞানী আৰু শিক্ষকসকলে শিক্ষাৰ্থীৰ আচৰণ, মনোভাৱ আবেগিক স্তৰ, অনুভূতি আদি উপস্থাপন কৰিব পাৰে। মানুহৰ ব্যক্তিত্ব প্ৰক্ষেপিত কৰিব পৰা বিভিন্ন কৌশল আৰু পৰ্যাক্ৰমিক প্ৰক্ৰিয়া আছে। ব্যক্তিত্বৰ বিষয়ে জনাৰ দুটা উত্তম আৰু সৰল কৌশল হ'ল ৰৰছাক মহী চিহ্ন অভীক্ষা (Rorschach Inkbolt Test) আৰু কাহিনী সংবোধন অভীক্ষা (Thematic Apperception Test)। এই দুয়োটা অভীক্ষা কৌশল কেৱল মনোবিজ্ঞানতে নহয় নৃতত্ব, সমাজতত্ব, শিক্ষা আৰু মনোৰোগ চিকিৎসাতো প্ৰয়োগ কৰা হয়।

৪.৪ মহী চিহ্ন অভীক্ষা

ৰৰছাক অভীক্ষাটোক (The Rorschach Test) ৰৰছাক মহীচিহ্ন অভিক্ষা (The Rorschach Inkbolt Test) অথবা ৰৰছাক কৌশল (The Rorschach Technique) অথবা একেবাৰে সাধাৰণকৈ মহীচিহ্ন অভীক্ষা (Inkbolt Test) বুলি জনা যায়। ই এটা মনোবৈজ্ঞানিক অভীক্ষা। ইয়াৰ দ্বাৰা অভীক্ষাৰ্থী এগৰাকীয়ে চিয়াঁহীৰ চিহ্নবোৰ দেখি কি ধাৰণা কৰে সেয়া লিখি ৰখা হয়। তাৰপাছত সেই লিখিত খতিয়ানবোৰ মনোবৈজ্ঞানিক ব্যাখ্যা, জটিল এলগ'ৰিথমচ্ নাইবা দুয়োটা ব্যৱহাৰ কৰি বিশ্লেষণ কৰা হয়।


কিছুমান মনোবিজ্ঞানীয়ে ব্যক্তিৰ ব্যক্তিত্ব, চাৰিত্ৰিক বৈশিষ্ট্য আৰু আবেগিক ক্ৰিয়া-কলাপ পৰীক্ষা কৰাৰ কাৰণে এই অভীক্ষাটো প্ৰয়োগ কৰে। অভীক্ষাটোৰে অন্তৰ্নিহিত চিন্তাৰ খাম-খেয়ালি, বিশেষকৈ যিসকল ব্যক্তি অথবা ৰোগীয়ে নিজৰ চিন্তা প্ৰক্ৰিয়া মুকলিকৈ বৰ্ণনা কৰিবলৈ অনিচ্ছুক তেঁওলোকৰ খাম-খেয়ালি চিন্তা ধৰা পেলোৱা হয়। এই অভীক্ষাটোৰ জনক আছিল ছুইছ মনোবিজ্ঞানী হাৰমান ৰৰছাক (Hermann Rorschach)।

১৯৬০ ৰ দশকত ৰৰছাক কৌশলটোক প্ৰক্ষেপীয় (Projective) অভীক্ষা হিচাপে বহুলভাৱে ব্যৱহাৰ কৰা হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত চলোৱা এটা সমীক্ষাত চিকিৎসালয়ত ভৰ্তি নোহোৱা ব্যক্তিৰ মানসিক স্বাস্থ্য পৰীক্ষা বিভাগত (outpatient mental health facilities) প্ৰয়োগ কৰা আটাইবোৰ মনোবৈজ্ঞানিক অভীক্ষাৰ ভিতৰত ৰৰছাক কৌশলটোৱে

অষ্টম স্থান দখল কৰিছিল। চ'ছাইটি ফৰ পার্চনেলিটি এচেছমেণ্টৰ (Society for Personality Assessment) সদস্যসকলে বহলভাৱে প্ৰয়োগ কৰা এইটো হ'ল দ্বিতীয়টো অভীক্ষা। ফ'ৰেনচিক পৰীক্ষা কৰিবলগীয়া ঘটনাবোৰৰ ক্ষেত্ৰতো কৌশলটো কিছু পৰিমাণে (প্ৰায় ২০%) প্ৰয়োগ কৰা হয়। ৰোগীৰ সমস্যা চিনাক্ত কৰিবলৈ বৈশ্লেষিক মনোবিজ্ঞানীসকলে (Clinical psychologists) এই কৌশলটো সকলোতকৈ বেছিকৈ (প্ৰায় ৮০ %) ব্যৱহাৰ কৰে।

উদ্ভাৱনৰ পৰৱৰ্তী সময়ছোৱাত ৰৰছাক মহী চিহ্ন অভীক্ষাই যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৮৫৭ চনত এই অভীক্ষাই জার্মান চিকিৎসক জাষ্টিনাচ কেৰনাৰক এখন জনপ্ৰিয় কবিতা কিতাপ লিখিবলৈ উৎসাহিত কৰিছিল। কিতাপখনৰ প্ৰতিটো কবিতাই একো একোটা ঘটনাক্ৰমে সৃষ্টি হোৱা চিয়াঁহী দাগক লৈ লিখা হৈছিল। ফৰাছী মনোবিজ্ঞানী আলফ্ৰেড বিনেটেও অভীক্ষাটোক এটা সৃজনীশীল অভীক্ষা হিচাপে প্ৰয়োগ কৰি চাইছিল। নতুন শতিকাত চিয়াঁহীৰ দাগেৰে চলোৱা মনোবৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ সংখ্যা বহুগুণে বাঢ়িছিল। ইয়াৰ লক্ষ্য আছিল ব্যক্তিৰ কল্পনা আৰু সচেতনতা অধ্যয়ন কৰা।

কল্পনা শক্তি উদ্দীপিত আৰু পৰীক্ষা কৰিবলৈ ৰৰছাকে চিয়াঁহী দাগৰ অভীক্ষাটো প্ৰয়োগ কৰিবলৈ লৈছিল। প্ৰথমে এই কৌশলটো বিষয়বস্তু বিশ্লেষণৰ বাবে প্ৰয়োগ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত ৰৰছাকে বিষয়বস্তুৰ সলনি নিৰ্ণায়ক (determinant) বিশ্লেষণৰ বাবে অভীক্ষাটো প্ৰয়োগ কৰাৰ ওপৰত জোৰ দিছিল। অভীক্ষাটোত ১০ খন কার্ড ব্যৱহাৰ কৰা হয়। বৈশ্লেষিক মনোদশাবোৰৰ গৰাকীক ধাৰণা আৰু অর্থ বুজাত প্ৰভাৱিত কৰা অসচেতন কাৰকবোৰৰ অধ্যয়নৰ বাবে ৰৰছাকে এই অভীক্ষা আৰু পদ্ধতিটো ব্যৱহাৰিক আহিলাৰূপে বিকশাই তুলিছিল। ইয়াৰ আন এটা উদ্দেশ্য আছিল ব্যক্তিত্ব তথা আচৰণৰ গতিশীল কাৰকবোৰ প্ৰকট কৰা। এই অভীক্ষাটো প্ৰয়োগ কৰাৰ সময়ত বিশ্বাস কৰা হয় যে অভীক্ষার্থীৰ প্ৰতিটো পাৱদর্শিতাই তেওঁৰ সামগ্ৰিক ব্যক্তিত্বৰ একো একোটা অভিব্যক্তি। চিয়াঁহীৰ দাগবোৰৰ প্ৰতি সঁহাৰি জনোৱাৰ সময়ত অভিক্ষার্থী এগৰাকীয়ে সাধাৰণতে তেঁও কি দেখিছে আৰু কি প্ৰকাশ কৰিছে সেই বিষয়ে অসচেতন হৈ থাকে। সেয়েহে তেঁও দাগবোৰ যিধৰণে অনুমান বা ধাৰণা কৰি লয় তেনেদৰেই জানিবলৈ দিয়ে। মনোবিজ্ঞানীসকলে ইয়াৰ দ্বাৰাই তেঁওৰ ব্যক্তিত্বৰ উমান পায়।



চিত্র ১ কার্ডৰ নক্সা

কার্ড I খন চোৱাৰ সময়ত অভীক্ষার্থীয়ে প্রায়েই কি কৰিব, কি ক'ব লাগিব সেয়া সোধে। প্রথম কার্ডখনৰ পৰা অভিক্ষার্থীগৰাকীয়ে এটা নতুন আৰু মানসিক চাপযুক্ত কার্য কেনেদৰে সম্পাদন কৰে সেয়া অনুমান কৰিব পাৰি। অৱশ্যে সাধাৰণতে প্রথম কার্ডখন অভীক্ষার্থীৰ বাবে বেছিপৰ কঠিন হৈ নাথাকে। তেঁও সহজে কার্ডখন চাই জনপ্রিয় সঁহাৰি দিয়ে।

কার্ড II ৰ ৰঙা দাগবোৰক প্রায়েই তেজৰ সৈতে ৰিজোৰা হয়। কার্ডখনৰ এয়াই উল্লেখযোগ্য বৈশিষ্ট্য। এই কার্ডখনৰ প্রতি জনোৰা সঁহাৰিৰ পৰা অভিক্ষার্থী এগৰাকীয়ে কেনেদৰে খং অথবা শাৰীৰিকভাৱে আঘাত পোৱাৰ অনুভূতি নিয়ন্ত্রণ কৰিব তাৰ ইংগিত পোৱা যায়।

কার্ড III খনত সাধাৰণতে দুজন কথাপাতি থকা মানুহৰ অৱয়ব দেখা যায়। এই কার্ডখনৰ দ্বাৰা অভীক্ষার্থী এগৰাকীয়ে অন্য ব্যক্তিৰ সৈতে কেনেকৈ সম্পর্ক স্থাপন কৰে তাৰ তথ্য পোৱা যাব।

কার্ড IV খনৰ চিয়াঁহীৰ ৰং গাঢ়। সাধাৰণতে কার্ডখনৰ দাগে এটা বৃহৎ অৱয়ব আৰু কেতিয়াবা ভয়লগা অৱয়ব সৃষ্টি কৰে। অভিক্ষার্থীয়ে প্রায়েই এই দাগটো নিজতকৈ উচ্চ / ক্ষমতাসম্পন্ন অৱয়ব একোটাৰ লগত তুলনা কৰে কার্ডৰ দাগটোৱে কর্তৃত্ব বা প্রভূত্বৰ অনুভৰ সৃষ্টি কৰে। দাগটোৱে সৃষ্টি কৰা অৱয়বটো প্রায় সকলোৱে স্ত্রীৰ বুলি কোৱাৰ

সলনি পুৰুষৰ বুলি কয়। অভীক্ষার্থীগৰাকীয়ে অৱয়বত দেখা যিবোৰ গুণ বা বৈশিষ্ট্য বর্ণনা কৰে ইয়াৰ পৰা তেঁওৰ পুৰুষ আৰু কর্তৃপক্ষৰ প্রতি মনোভাৱ গম পোৱা যায়। এনেবোৰ কাৰণতে কার্ড IV ক' পিতৃ কার্ড' (The Father Card) বোলা হয়।

কার্ড V হ'ল এখন সহজে ব্যাখ্যা কৰিব পৰা কার্ড। ইয়াত কোনো ভয় লগা ধৰণৰ অৱয়ব ফুটি নুঠে। তাৰ সলনি কার্ডখনে অভীক্ষাটোৰ 'বেগ পৰিৱর্তন' কৰে (Change of Pace)। পূৱবর্তী অধিক প্রত্যাহ্বানমূলক কার্ডবোৰৰ তুলনাত এই কার্ডখন চাই ধাৰণা কৰিবলৈ সহজ। ইয়াত চিয়াঁহীৰ দাগে একাধিক অৱয়বৰ সৃষ্টি কৰে। ই কেতিয়াবা অভিক্ষার্থীৰ মনত চিন্তাৰ উদ্রেক কৰে আৰু বর্ণনা প্রক্রিয়াটো অলপ জটিল হৈ পৰে। কিন্তু এই সৰল দাগবোৰে প্রায়েই উচ্চমানৰ সঁহাৰি লাভ কৰে।

কার্ড VI ৰ উল্লেখনীয় বৈশিষ্ট্য হ'ল ইয়াৰ সংযোগ গাঁথনি (Texture) । এই কার্ডখনে অভীক্ষার্থীৰ আন্তঃ ব্যক্তিক ঘনিষ্ঠতাৰ সৈতে জড়িত সম্পর্কবোৰ বুজাত সহায় কৰে। ইয়াক 'যৌন কার্ড' (Sex Card) বুলিও ধৰা হয়।

কার্ড VII -ক নাৰীত্বৰ সৈতে সাঙুৰিব পাৰি (চিয়াঁহীৰ দাগবোৰে সৃষ্টি কৰা অৱয়বক অধিকাংশ অভীক্ষার্থীয়ে নাৰী অথবা শিশু বুলি বর্ণনা কৰে)। সেয়েহে এই কার্ডখনে মাতৃ কার্ডৰ (the mother card) ভূমিকা লয়। অভীক্ষার্থীৰ জীৱনত নাৰীৰ ভূমিকাৰ ওপৰত কার্ডখন বর্ণনা কৰোঁতে হোৱা অসুবিধাবোৰ তুলনা কৰি চোৱা হয়।

কার্ড VIII -খন দেখাৰ লগে লগে অভীক্ষার্থীসকলে প্রায়েই সকাহ অনুভৱ কৰে। অৱসাদ আঁতৰি যোৱাৰ বাবে ফলপ্রসূভাৱে সঁহাৰিও জনাব পৰা হয়। কার্ড V ৰ দৰে এই কার্ডখনকো অভীক্ষাটোৰ 'বেগ পৰিবর্তনকাৰী' (Change of Pace) কার্ড বোলা হয়। অৱশ্যে এই কার্ডখন বর্ণনা কৰিবলৈ টান। এই জটিল কার্ডখন হ'ল অভীক্ষাটোত ব্যৱহৃত প্রথমখন বহুৰঙী কার্ড। সেয়েহে যিসকল অভিক্ষার্থীয়ে জটিল পৰিস্থিতিত অথবা কোনো আবেগিক চাপ অথবা সমস্যাৰ মাজেৰে জীৱন কটাই আছে তেঁও লোকে এই কার্ডখন সহজে বর্ণনা কৰিব নোৱাৰিবও পাৰে।

কার্ড IX -ৰ বৈশিষ্ট্য হ'ল ইয়াৰ দাগবোৰ অস্পষ্ট। গতিকে ই অভীক্ষার্থীৰ মনত সাধাৰণ দুর্বোধ্যতাৰ সৃষ্টি কৰে।

কার্ড X -ৰ বিন্যাস কার্ড VIII ৰ সৈতে সাদৃশ্য আছে। কিন্তু যিসকল অভীক্ষার্থী একাধিক সমকালীন উদ্দীপক নিয়ন্ত্রণ কৰিবলৈ অসমর্থ তেঁওলোকে আপাতঃ দৃষ্টিত শুৱনি এই কার্ডখনে অভীক্ষার্থীক 'বিদায় লোৱা'ৰ (sign out) সুযোগ দিয়ে। এই সময়ছোৱাৰ ভিতৰক অভিক্ষার্থীয়ে নিজৰ অৱস্থা অথবা জানিবলৈ যি ইচ্ছা কৰে সেই সম্পর্কে ইংগিত লাভ কৰে।

অভীক্ষাটোৰ কার্য সম্পাদন পদ্ধতি

নার্চাৰী বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ পৰা প্রাপ্তবয়স্ক লোকলৈকে এই অভীক্ষাটো প্রয়োগ

কৰা হয়। অভীক্ষাটোত প্ৰায় ১৮ X ২৪ ছেঃমিটাৰ আকৃতিৰ ১০ খন কার্ড থাকে। প্ৰতিটো মহী চিহ্নৰে প্ৰায় সমৰূপ দ্বিপাৰ্শ্বীয় সমমিত অংশ থাকে। ৫ খন কার্ড ক'লা- বগা, ইয়াৰে বিভিন্ন অংশত চিয়াঁহীৰ ৰং / গাঢ়তা ভিন ভিন। ২ খন কার্ডত বগা, ক'লা আৰু ভিন্ন পৰিমাণত অইন ৰং (যেনে- ৰঙা) থাকে। ৩ খন কার্ডৰ পটভূমি বগা কিন্তু মহী চিহ্ন একাথিক ৰঙৰ। অভীক্ষার্থীয়ে প্ৰথমবাৰ আটাইবোৰ কার্ড চাই, দাগবোৰে মনত সৃষ্টি কৰা ধাৰণাবোৰ বর্ণনা কৰি উঠা প্ৰক্ৰিয়াটোক মুক্ত সম্পর্ক পর্যায় (Free association phase) বোলে। পৰীক্ষকে তাৰপাছত কার্ডবোৰ এটা সজ্জিত ক্ৰমত এখন এখনকৈ অভীক্ষার্থীৰ হাতত পুনৰ অধ্যয়নৰ বাবে তুলি দিয়ে। এইবাৰ অভীক্ষার্থীক তেঁও দেখা অৱয়বটো কার্ডৰ কোনটো অংশত প্ৰকট হোৱা যেন পাইছিল সোধা হয়। এইটো হ'ল অনুসন্ধান পর্যায় (Inquiry phase) । অর্থাৎ, অভীক্ষাটোৰ নির্দেশনাবোৰ অতি সৰল। ৰৰছাকৰ নিজৰ সূত্ৰমতে অভীক্ষার্থীক কার্ডবোৰ দেখুৱাই তলৰ প্ৰশ্নবোৰ সুধিব লাগে ঃ কেনে যেন দেখিছে? ' 'কি হ'ব পাৰে এইটো ? ইত্যাদি। তাৰপাছত বিশেষজ্ঞ অথবা বৈশ্লেষিক সকলে নিজ নিজ চিকিৎসাকালত অভীক্ষার্থী অথবা ৰোগীৰ সম্পূর্ণ সম্ভাব্য উত্তৰবোৰ বিচাৰি উলিয়াই সেয়া চালি-জাৰি চাই নিজ নিজ ৰোগীৰ ক্ষেত্ৰত উন্নত চিকিৎসা সেৱা আগবঢ়াব পাৰে।

অভীক্ষাটোৰ বাবে ৰৰছাকে কোনো সময়সীমা বান্ধি দিয়া নাই। সেয়েহে প্ৰতিখন কার্ডৰ বিপৰীতে কিমান সময়ৰ ভিতৰত কিমানটা সঁহাৰি পোৱা যাব তাৰো কোনো নির্দিষ্ট সীমা নাই। পৰীক্ষকে অভীক্ষার্থীৰ আচৰণৰ বিভিন্ন দিশ টুকি ৰাখে। অভীক্ষাটো চলি থকা সময়ত পৰীক্ষকে টুকি ৰখা দুটামান কথা হ'ল- অভীক্ষার্থীৰ উত্তৰৰ আক্ষৰিক প্ৰতিলিপি, প্ৰতিখন কার্ড উপস্থাপন কৰা আৰু সঁহাৰি পোৱাৰ মাজত থকা সময়ৰ ব্যৱধান, প্ৰতিটো সহাঁৰি মাজত থকা দীঘলীয়া নীৰৱতাৰ দৈর্ঘ্য, প্ৰতিখন কার্ডৰ বাবে প্ৰয়োজন হোৱা সময় প্ৰতিবাৰ সঁহাৰি লাভৰ বাবে কার্ড ৰখাৰ স্থান ইত্যাদি। তিনিবাৰ সময় টুকি ৰখাৰ ফলত কোনো এটা নির্দিষ্ট মহী চিহ্ন সম্পর্কে অভীক্ষার্থীয়ে কি ধাৰণা কৰিছিল কিন্তু প্ৰকাশ কৰাৰ আগতে কিমান আবেগিক প্ৰতিৰোধৰ সন্মুখীন হৈছিল সেয়া নির্ধাৰণ কৰা সহজ হৈ পৰে।

সঁহাৰি লাভৰ বাবে দহখন কার্ডৰ আটাইকেইখন উপস্থাপন কৰি উঠাৰ পাছত অভীক্ষাটোৰ দ্বিতীয় পর্যায় 'অনুসন্ধান' (Inquiry) আৰম্ভ হয়। অনুসন্ধানৰ দুটা প্ৰধান উদ্দেশ্য আছে। প্ৰথম উদ্দেশ্যটো হ'ল মহী চিহ্নৰ কোনবোৰ দিশে অভীক্ষার্থীৰ সম্পর্ক স্থাপন প্ৰক্ৰিয়াটো আৰম্ভ কৰিছিল আৰু বর্তাই ৰাখিছিল সেয়া জনা। সঁহাৰি বিভিন্ন দিশৰ হিচাপ ৰখাৰ বাবে অভীক্ষার্থীয়ে সামগ্ৰিকভাৱে গোটেই মহী চিহ্নটোলৈ চাই কিবা ধাৰণা কৰিছেনে ,আংশিক চিহ্নই মনত কোনো ধাৰণাৰ জন্ম দিছেনে, চিহ্নটোৰ কোনো ক্ষুদ্ৰ অংশ নাইবা ৰং নাইবা ৰঙৰ গাঢ়তাৰ তাৰতম্যই (shades) এনে ধাৰণাৰ জন্ম দিছে সেই তথ্যবোৰ জনাটো অতি জৰুৰী। দ্বিতীয় উদ্দেশ্যটো হ'ল এই অনুসন্ধান কালত অভীক্ষার্থীয়ে তেঁওৰ প্ৰাথমিক সঁহাৰিত অন্য তথ্য যোগ দিয়াৰ অথবা সঁহাৰিটো অধিক স্পষ্ট ৰূপত বুজাই দিয়াৰ সুযোগ পায়।

অনুসন্ধান শেষ হোৱাৰ পাছত হিচাপ কৰা (scoring) অংশটো ৰৰছাক পদ্ধতিৰ আন এটা প্ৰয়োজনীয় অংশ। স্থান (location) ,নির্ণায়ক (determinants), বিষয়বস্তু (contents)

আৰু ব্যাখ্যা (Interpretation)- এই চাৰিটা শিতানত হিচাপবোৰ কৰা হয়। ৰৰছাক খতিয়ানমতে ব্যাখ্যাৰ হিচাপ / মূল্যাংকন এটা অতি জটিল প্ৰক্ৰিয়া। ইয়াৰ বাবে ব্যক্তিত্বৰ গতিশীলতাৰ গভীৰ জ্ঞান আৰু ৰৰছাক পদ্ধতিৰে পৰীক্ষা-নিৰীক্ষা চলোৱাৰ যথেষ্ট অভিজ্ঞতাৰ প্ৰয়োজন। কেইমাহমানৰ ভিতৰতে ৰৰছাক অভীক্ষাৰ পৰিচালক হিচাপে দক্ষতা আহৰণ কৰিব পৰা যায়। কিন্তু যি সকলে ৰৰছাক অভীক্ষাৰ ব্যাখ্যাকাৰ হিচাপে দক্ষতা আৰু অৰ্হতা আহৰণ কৰে তেঁওলোকেও সাধাৰণতে বহুবছৰ শিক্ষনীয় পৰ্যায়তে (learning stage) ৰৈ যায়।

ৰৰছাক অভীক্ষাৰ ব্যাখ্যা সঁহাৰিৰ বিষয়বস্তুৰ ওপৰতে প্ৰধানকৈ আধাৰিত নহয়। অৰ্থাৎ, অভীক্ষার্থীয়ে মহী চিহ্নত (বিষয়বস্তু) কি দেখা পাইছে তাৰ ওপৰত ভিত্তি কৰিয়েই ৰৰছাক অভীক্ষাৰ ব্যাখ্য আগবঢ়োৱা নহয়। দৰাচলতে এই সঁহাৰি হ'ল ৰৰছাক তথ্য ব্যখ্যা কৰিবলৈ ব্যৱহাৰ কৰা বৃহৎ চলক সমষ্টি এটাৰ তুলনামূলকভাৱে ক্ষুদ্ৰ অংশ এটাহে। উদাহৰণ স্বৰূপে কোনো এখন কার্ড দেখাৰ পাছত অভীক্ষার্থীয়ে সঁহাৰি জনাবলৈ কিমান সময় ল'লে তাৰদ্বাৰা পোৱা তথ্য অতি গুৰুত্বপূর্ণ। বিষয়বস্তুতকৈ নির্ণায়ক [মহী চিহ্নটোৰ সেইবোৰ দিশ যিবোৰে অভীক্ষার্থীক সঁহাৰি জনাবলৈ উৎসাহিত কৰিলে, যেনে- ৰূপ (form) আৰু ৰং (colour)] আৰু অৱস্থান [মহী চিহ্নটোৰ কোনবোৰ সূক্ষ্ম অংশই অভীক্ষার্থীক সঁহাৰি জনাবলৈ উৎসাহিত কৰিলে।] সম্পর্কীয় তথ্যবোৰক অধিক গুৰুত্বপূর্ণ বুলি ধৰা হয়। অৱশ্যে ইয়াৰ বিপৰীত ঘটাৰ প্ৰমাণো আছে। সঁহাৰিৰ 'জনপ্ৰিয়তা' (popularity) আৰু 'মৌলিকতা'কো (originality) ৰৰছাক বিশ্লেষণৰ মৌলিক মাদ্ৰা হিচাপে বিবেচনা কৰা হয়।

<u>বিষয়বস্তু (Content)</u> ঃ বিষয়বস্তুক 'মানুহ', 'প্ৰকৃতি', 'জীৱ-জন্তু', 'বিমূর্ত' আদি শিতানত ভগোৱা হয়। অভীক্ষাটোৰ আন সকলোবোৰ দিশতকৈ বিষয়বস্তুৰ ক্ষেত্ৰত অভীক্ষার্থীয়ে নিজৰ সঁহাৰি / উত্তৰ সচেতনভাৱে নিয়ন্ত্ৰণ কৰিব পাৰে।

<u>অৱস্থান/ স্থান (Location)</u> ঃ এই বিভাগটোক সম্প্ৰসাৰণ কৰিবলগীয়া হয়। এটা মহী চিহ্ন দেখি অভীক্ষার্থীয়ে জনোৱা সঁহাৰিৰ আধাৰ গোটেই মহীচিহ্নটো, এটা ডাঙৰ অংশ, এটা সৰু অংশ, তেনেই ক্ষুদ্ৰ বৈশিষ্ট্য এটা নাইবা বগা পৃষ্ঠভূমিৰ এটা অংশ হ'ব পাৰে। স্থানডোখৰ সুস্পষ্ট নাইবা অস্পষ্ট আৰু দুর্বোধ্য হ'ব পাৰে। স্থানক লৈ কৰা সঁহাৰিবোৰ বিশ্লেষণৰ পৰা অভীক্ষার্থীৰ গৰাকী ধাৰণাগতভাৱে কিমানখিনি সুসংগঠিত অথবা অসংগঠিত সেয়া গম পোৱা যায়। ধাৰণাৰ নিয়মৰ (norms of perception) সৈতে মিলা উপায় বা পন্থাৰে আৰু অভীক্ষার্থীৰ সমগ্ৰক বিশ্লেষণ তথা অংশৰ সংশ্লেষণ কৰিব পৰা সামর্থেৰে জোখা হয়।

<u>নির্ণায়ক (Determinants)</u> ঃ নির্ণায়কক বৈশিষ্ট্য বুলিও জনা যায়। ইয়াৰ দ্বাৰা অভীক্ষার্থীয়ে ধাৰণা কৰি লোৱা ধৰণে মহী চিহ্নটোৰ নির্ণায়ক অথবা বৈশিষ্ট্যবোৰৰ কথা বুজোৱা হয়। এই নির্ণায়কবোৰ হ'ল চিহ্নটোৰ সেইবোৰ দিশ অথবা গুণ যিবোৰে সঁহাৰিৰ সৃষ্টি কৰে। এই গুণবোৰ অৱয়ব (form), ৰং (colour), ৰঙৰ গাঢ়তাৰ প্ৰভেদ (shading), দৃষ্টিভংগী (perspective), গতি (motion) অথবা এই আটাইবোৰৰে মিশ্ৰণ হ'ব পাৰে। অৱয়ব (form) হ'ল সবাতোকৈ

সাধাৰণ নির্ণায়ক। ইয়াৰ বৌদ্ধিক প্রক্রিয়াৰ সৈতে সম্পর্ক আছে। বর্ণ সঁহাৰিয়ে প্রায়েই ব্যক্তিৰ আবেগিক সত্বাৰ পোনপটীয়া আভাস দিয়ে। ৰঙৰ গাঢ়তাৰ প্রভেদ আৰু গতিক অপ্রকাশ্য চিন্তা-অনুভূতিৰ দিশেৰে (সংজ্ঞা আৰু ব্যাখ্যা উভয় ক্ষেত্রতে) ব্যাখ্যা কৰা হয়।

ব্যাখ্যা (Interpretation) ঃ প্রতিটো সঁহাৰি হিচাপ কৰি লোৱাৰ পাছত ফলাফল তালিকাভূক্ত কৰি লোৱা হয়। তাৰ পাছত কৰিবলগীয়া গুৰুত্বপূর্ণ কামটো হল বিভিন্ন শিতানৰ বাৰংবাৰতাৰ মাজত ধৰা পৰা সম্পর্কবোৰ বিশ্লেষণ কৰা। উদাহৰণ মহী চিহ্ন এটাৰ সামগ্রিকৰ পৰা বহৎ অংশ আৰু তাৰপৰা ক্ষুদ্রতৰ অংশক লৈ কৰা সঁহাৰিৰ অনুপাতৰ মাজত থকা সম্পর্ক, ৰং আৰু গতিৰ মাজত থকা সম্পর্ক ইত্যাদি। এই অংশৰ সহায়ত অভীক্ষার্থীৰ ব্যক্তিত্বৰ ছবি এখন পোৱা যায়। ৰৰছাক অভীক্ষা ব্যাখ্যা কৰাৰ স্বীকৃত পদ্ধতিটো হৈছে ৰৰছাক বিস্তৃত প্রণালী। [Rorschach Comprehensive System/RCS]

অভীক্ষাটোৰ বৈধতা আৰু ভাৰসাযোগ্যতা (Validity and Reliability of the Test) ঃ এই পদ্ধতিটোৰে অভিজ্ঞ, দক্ষ আৰু ব্যুৎপত্তি আহৰণ কৰা বৈশ্লেষিক মনোবিজ্ঞানীসকলে ৰৰছাক প্রট'কলৰ পৰা অভাৱনীয় ধৰণৰ সঠিক আৰু যুক্তিসংগত ব্যাখ্যা আগবঢ়াব পাৰে। কিন্তু ই এটা বিষয়নিষ্ঠ কথা। আদর্শগতভাৱে মহী চিহ্ন অভীক্ষাৰ ভাৰসাযোগ্যতা আৰু বৈধতা বস্তুনিষ্ঠ ভাৱেহে বাহিৰ হোৱা উচিত। ৰৰছাক অভীক্ষাৰ ভাৰসাযোগ্যতা আৰু বৈধতা পৰীক্ষা কৰি চোৱাৰ আগতে বহুতো সমস্যা আৰু নীতিৰ কথা মনত ৰাখিব লাগে। প্রথম কথাটো হ'ল এনে অভীক্ষাৰ কিছুমান অংশ-হিচাপ অতি গুৰুত্বপূর্ণ যদিও তাৰ ব্যাখ্যা চাৰিত্রিকভাৱে সার্বজনীন। কিন্তু এতিয়ালৈকে এই অভীক্ষাৰ সঁহাৰিবোৰৰ সার্বজনীন বিন্যাসটো জুখি চাব পৰাকৈ সন্তোষজনক পৰিসাংখ্যিক পদ্ধতি ওলোৱা নাই। দ্বিতীয়তে সঁহাৰিক ক্রম মর্য্যদা (rating) দিয়া আৰু হিচাপ ৰখা প্রক্রিয়াই এক ডাঙৰ বিষয়নিষ্ঠ উপাদানৰ গঢ় দিছে। আচলতে ৰৰছাক বিস্তৃত প্রণালীৰ (RCS) হিচাপ ৰখা পদ্ধতিটো অতি বিষয়নিষ্ঠ ।

৪.৫ কাহিনী সংবোধন অভীক্ষা

কাহিনী সংবোধন অভীক্ষা (Thematic Apperception Test /TAT) হ'ল এটা প্রক্ষেপীয় মনোবৈজ্ঞানিক অভীক্ষা। ই মানুহৰ কল্পনা কৰিব পৰা ক্ষমতাৰ বিকাশ ঘটায়। এই কৌশলৰ সমর্থকসকলৰ মতে এই অভীক্ষাত অংশগ্রহণ কৰা অভীক্ষার্থীৰ সঁহাৰিৰ পৰা মনোজগতত অর্ন্তনিহিত অভিপ্রায় আৰু চিন্তা- উদ্বেগ আদি প্রকাশ পায়। লগতে মানুহৰ অস্পষ্ট/দুর্বোধ্য ছবিৰ দ্বাৰা সৃষ্টি কাহিনীৰে অভীক্ষার্থীয়ে কেনেদৰে সামাজিক পৃথিৱীখন চায় সেয়াও ধৰিব পাৰি। ঐতিহাসিকভাবে TAT হ'ল এটা বহুলভাৱে গৱেষণা চলা, শিকোৱা আৰু প্রয়োগ কৰা অভীক্ষা।

১৯৩০ দশকত আমেৰিকান মনোবিজ্ঞানী হেনৰী এ মুৰে' আৰু মনোবিশ্লেষক ক্রিষ্টিনা ডি. মৰগানে হার্ভার্ড বিশ্ববিদ্যালয়ৰ হার্ভার্ড ক্লিনিকত কাহিনী সংবোধন অভীক্ষাটো (TAT) বিকশাই

তুলিছিল। কথিত আছে যে মূৰেৰ এগৰাকী প্ৰাক-স্নাতক শ্ৰেণীৰ ছাত্ৰী চিচিলিয়া ৰ'বার্টচে সোধা প্ৰশ্ন এটাৰ আলমত TAT ধাৰণাটোৱে গা কৰি উঠিছিল। ৰ'বার্টচে এবাৰ মুৰে'ক জনাইছিল যে তেঁওৰ ল'ৰাটো এবাৰ অসুখত পৰিছিল। ঘৰত জিৰণি লৈ থকা সময়ত ল'ৰাটোৱে আলোচনীৰ ছবিবোৰ চাই চাই কাহিনী কিছুমান সৃষ্টি কৰিছিল। ৰ'বার্টচে মুৰে'ৰ পৰা জানিব খুজিছিল ব্যক্তিত্বৰ অৰ্ন্তনিহিত মাত্ৰাবোৰ অন্বেষণ কৰিবলৈ ক্লিনিকেল পৰিৱেশ এটাত ছবি প্ৰয়োগে কৰিব পৰা যায় নেকি।

মুৰে'ই এগৰাকী ব্যক্তিৰ সামগ্ৰিক তথ্য জনাব পৰা ব্যৱস্থা এটা প্ৰয়োগ কৰিব বিচাৰিছিল। কিন্তু তেঁওৰ সমসাময়িক অভীক্ষাবোৰত বহুতো দিশ অনুপস্থিত আছিল। সেয়েহে তেঁও TAT বিকশাই তুলিছিল। এই কৌশলটোৰ আঁৰৰ যুক্তি হ'ল মানুহে অতীত অভিজ্ঞতা আৰু বৰ্তমান অনুপ্ৰেৰণাৰ ভিত্তিত কোনো এটা অস্পষ্ট / দুৰ্বোধ্য পৰিস্থিতি ব্যাখ্যা কৰাৰ প্ৰয়াস কৰে। এই প্ৰয়াস সচেতন অথবা অসচেতন হ'ব পাৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আবেগিকভাৱে পীড়িত হৈ থকা ৰোগীৰ মনোদশা মূল্যায়নৰ বাবে মনোবিশ্লেষক আৰু বিশ্লেষকসকলে বহুলভাবে TAT প্ৰয়োগ কৰিছিল। পৰৱৰ্তী সময়ত ১৯৭০ ৰ দশকত আৰম্ভ হোৱা হিউমেন প'টেনচিয়েল মুভমেণ্ট (মানৱীয় সম্ভাৱনা আন্দোলন) ৰোগীসকলক নিজৰ বিষয়ে ভালদৰে বুজাত সহায় কৰিবলৈ আৰু ব্যক্তিগত বিকাশত উদ্দীপনা যোগাবলৈ মনোবিজ্ঞানীসকলক TAT প্ৰয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।



চিত্ৰ ২. TATত ব্যৱহাৰ কৰা এখন ছবি

অভীক্ষাটোৰ কার্যপদ্ধতি

TAT হ'ল এটা প্ৰক্ষেপীয় পদ্ধতি। অভীক্ষাটোৰ বাবে ৩০ খন ছবি সম্বলিৰ কার্ডৰ প্ৰয়োজন। অভীক্ষাত অংশ গ্ৰহণ কৰা অভীক্ষার্থীক জনোৱা হয় যে এইটো এটা কল্পনা শক্তিক লৈ কৰা অভীক্ষা। অভীক্ষার্থীয়ে নিজে ভালপোৱা ধৰণে কাহিনী তৈয়াৰ কৰিব পাৰিব। কোনো সঁহাৰিকে ভুল অথবা শুদ্ধ বুলি বিচাৰ কৰা নহয়। এবাৰত এখনকৈ ছবি দেখুওৱা হয়। অভীক্ষার্থীক বুজাই দিয়া হয় যে প্ৰতিখন কার্ডতে একো একোটা দৃশ্য আছে। অভীক্ষার্থীক সুধিবলগীয়া প্ৰশ্নবোৰ

হ'ল এনে ধৰণৰ- কিয় এই দৃশ্যটো সৃষ্টি হ'বলৈ পালে বুলি তেঁও ভাবে, কেনেকৈ দৃশ্যটোৰ সৃষ্টি হ'ল, কি ঘটি আছে বৰ্ণনা কৰক, ছবিত দেখা চৰিত্রবোৰৰ অনুভৱ / মনৰ ভাৱ কেনেকুৱা, কাহিনীটোৰ ফলাফল / পৰিণতি কি হ'ব পাৰে ইত্যাদি। কার্ডবোৰ বিভিন্ন ধৰণে মিহলি কৰি প্রয়োগ কৰা হয়। অভীক্ষার্থীৰ বয়স আৰু লিংগ অনুসৰি কার্ডবোৰ মিহলাই লোৱা হয়। কিছুমান কার্ডত পুৰুষৰ, কিছুমানত মহিলাৰ, কিছুমানত বয়সিয়াল ব্যক্তি, কিছুমানত সৰু ল'ৰা- ছোৱালী আৰু কিছুমানত কোনো মানুহৰ অৱয়ব নাথাকে। এখন কার্ড সম্পূর্ণ উকা। সেই কার্ডখন দেখুৱাই অভীক্ষার্থীয়ে সাজি লোৱা একোটা দৃশ্য নাইবা আন কোনো কার্ডত থকা দৃশ্যৰ আধাৰত সৃষ্ট কাহিনী শুনা যায়। যদিও কার্ডবোৰ অভীক্ষার্থীৰ বয়স আৰু লিংগৰ সৈতে খাপ খোৱাকৈ মিলাই লোৱা হয়, তথাপিও যিকোনো অভীক্ষার্থীকে যিকোনো কার্ড দেখুওৱা হ'ব পাৰে। অভীক্ষাটো শেষ কৰাৰ কোনো ধৰা-বন্ধা সময়সীমা নাই। কিন্তু এগৰাকী অভীক্ষার্থীক এখন কার্ডৰ বিপৰীতে পাঁচ মিনিটকৈ সময় দিব পাৰিলে ভাল। অভীক্ষা শেষ হোৱাৰ পাছত এটা সাক্ষাৎকাৰ কাল ৰাখিব পাৰিলে ভাল। এনে সাক্ষাৎকাৰৰ সময়ত কাহিনীবোৰৰ উৎস, স্থান, মানুহৰ নাম, তাৰিখ আৰু আন কোনো বিশেষ তথ্যৰ সৈতে অভীক্ষার্থীৰ সম্বন্ধ জনাৰ চেষ্টা কৰিব পৰা যায়। ইয়াৰ দ্বাৰা পৰীক্ষকে কাহিনীবোৰৰ অর্থ স্পষ্ট কৰিব আৰু সেইবোৰৰ বৈশিষ্ট্য অধিক ভাৰসাযোগ্যভাৱে মূল্যায়ন কৰিব পাৰিব। এই অভীক্ষাটোৰ দ্বাৰা অভীক্ষার্থীৰ ব্যক্তিত্ব প্রক্ষেপিত কৰিব পৰা যায়। লগতে পৰীক্ষকে ব্যক্তিগৰাকীৰ মানসিক, বুদ্ধিমত্তা, আবেগিক, সৃজনশীলতাৰ স্তৰ বুজি পায়। ব্যক্তিগৰাকীৰ মনত পৰিৱেশে কেনেধৰণৰ প্রভাৱ পেলাইছে সেয়াও পৰীক্ষকে ধৰিব পাৰে। অর্থাৎ অভীক্ষাটো চলি থকাৰ সময়ত অভীক্ষার্থীয়ে যোগান ধৰা তথ্যবোৰ কেৱল তেঁওৰ ব্যক্তিত্বৰ বৈশিষ্ট্যৰ উপাদানেই নহয়, ই তেঁওৰ মনত অন্য সাংস্কৃতিক শক্তিবিলাকে পেলোৱা উপৰুৱা সংস্কৃতি প্রভাৱৰ প্রতিফলনো হ'ব পাৰে (যেনে- ৰেডিঅ', টেলিভিছন, কথাছবি, কমিকচ্, সাময়িক প্রসংগ, পঠন সামগ্রী, ইণ্টাৰনেট আদি)।

<u>অভীক্ষাটোৰ বৈধতা আৰু ভাৰসাযোগ্যতা</u>

কাহিনী সংবোধন অভীক্ষাৰ উদ্দেশ্য হ'ল ব্যক্তিৰ অৱচেতন মনৰ অনৈচ্ছিক প্রকাশক উদগনি যোগোৱা। ব্যক্তিৰ TAT সঁহাৰিবোৰ মূল্যায়ন কৰাৰ কোনো স্বীকৃত পন্থা নাই। প্রতিটো মূল্যায়নেই সম্পূর্ণ বিষয়নিষ্ঠ। কাৰণ, প্রতিটো সঁহাৰিয়েই একক বৈশিষ্ট্যপূর্ণ । সেয়েহে এই অভীক্ষাটোৰ ক্ষেত্রত বৈধতা আৰু ভাৰসাযোগ্যতাৰ দিশ দুটাই সবাতোকৈ ডাঙৰ প্রশ্নৰ সৃষ্টি কৰি আহিছে। মনোবৈজ্ঞানিক বৈশিষ্ট্য চিনাক্ত কৰাৰ ধাৰা আৰু বিন্যাস আছে। কিন্তু এগৰাকী ৰোগীৰ থাকিব পৰা অথবা নাথাকিব পৰা বিভিন্ন মানসিক অৱস্থা দেখুৱাবলৈ কোনো নির্দিষ্ট সঁহাৰি নাই। চিকিৎসা বিজ্ঞানৰ সৈতে জড়িত বৃত্তিজীৱিসকলে ৰোগীৰ চিকিৎসাৰ আৰম্ভণি সময়ছোৱাতে এই অভীক্ষা সাধাৰণতে প্রয়োগ কৰে। TAT- য়ে বৃত্তিজীৱিসকলক তেঁওলোকৰ ৰোগীয়ে ভূগি থকা অথবা ভোগা বহুতো সমস্যা চিনাক্ত কৰাত সহায় কৰে। অভীক্ষাটোৰ ব্যক্তিগত হিচাপ ৰক্ষণ প্রক্রিয়াটো পৰীক্ষা কৰি চোৱাৰ পাছতো কোনো স্বীকৃত মানক প্রণালী অথবা নীতি নথকা বাবে বিষয়টোক লৈ বিভিন্ন অধ্যয়ণৰ বাবে চলা গৱেষণাবোৰৰ বৈধতা আৰু ভাৰসাযোগ্যতাক

তুলনা কৰাটো কঠিন হৈয়েই আছে। বিশেষকৈ বহুতো অধ্যয়নৰ নম্বৰ দিয়া/ হিচাপ ৰখা পদ্ধতি একে হোৱা সত্বেও ভিন ভিন সময়ত ভিন ভিন কার্ড অথবা ভিন্নসংখ্যক কার্ড ব্যৱহাৰ কৰা হয় বাবে এনে জটিলতাটো আঁতৰ হোৱা নাই। বিশ্লেষকসকলৰ (Clinicians) মাজতো স্বীকৃত মাপদণ্ডৰ প্রয়োগ দেখা পোৱা নাযায়। তেঁওলোকে প্রায়েই নির্দেশাৱলী আৰু কার্য পদ্ধতি সলনি কৰে। তথাপিও এই অভীক্ষাটো অতি বিষয়নিষ্ঠ আৰু ইয়াৰ পৰা বিভিন্ন ব্যাখ্যাৰ সৃষ্টি হয়।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যক্তি, পৰিস্থিতি, অনুষ্ঠান- প্রতিষ্ঠান আদিৰ মূল্যায়ন, জোখ আৰু পৰীক্ষণৰ বাবে অভীক্ষাৰ প্রয়োজনীয়তা আছে।
- ব্যক্তিত্বৰ ইংৰাজী প্রতিশব্দ 'Personality' ৰ মূল হ'ল লেটিন শব্দ 'Persona', ইয়াৰ অর্থ হ'ল মুখা (mask)। মুখাৰ ধাৰণা অনুসৰি মুখা পিন্ধা ব্যক্তি এগৰাকীৰ সফলতা আৰু প্রভাৱেই হ'ল 'Personality'।
- মনোবৈজ্ঞানিকভাৱে ব্যক্তিত্ব হ'ল সামাজিক জীৱনত অইনৰ চকুত ধৰা পৰা ব্যক্তিৰ শাৰীৰিক, মানসিক, নৈতিক আৰু সামাজিক গুণবোৰৰ সংহত আৰু গতিশীল সংগঠিত একক।
- সর্বমুঠ মানৱীয় আচৰণৰ প্রতিফলনেই হ'ল ব্যক্তিত্ব। ব্যক্তিত্ব হ'ল জটিল মানৱীয় আচৰণ, যেনে- আবেগ, কার্য আৰু বোধ (চিন্তা) প্রক্রিয়াবোৰৰ বিষয়ে কৰা অধ্যয়নৰ এখন ক্ষেত্র।
- মানুহৰ ব্যক্তিত্ব প্রক্ষেপিত কৰিব পৰা বিভিন্ন কৌশল আৰু পর্যায়ক্রমিক প্রক্রিয়া আছে। ব্যক্তিত্বৰ বিষয়ে জনাৰ দুটা উত্তম আৰু সৰল কৌশল হ'ল *ৰৰছাক মহীচিহ্ন অভীক্ষা* আৰু *কাহিনী সংবোধন অভীক্ষা।*
- ৰৰছাক মহীচিহ্ন অভীক্ষা আৰু কাহিনী সংবোধন অভীক্ষা কেৱল মনোবিজ্ঞানতে নহয় নৃতত্ত্ব, সমাজতত্ব, শিক্ষা আৰু মনোৰোগ চিকিৎসাতো প্রয়োগ কৰা হয়।
- ৰৰছাক অভীক্ষাটোক ৰৰছাক মহীচিহ্ন অভীক্ষা, ৰৰছাক কৌশল অথবা একেবাৰে সাধাৰণকৈ মহীচিহ্ন অভীক্ষা বুলি জনা যায়।
- ৰৰছাক অভীক্ষা হ'ল এটা মনোবৈজ্ঞানিক অভীক্ষা। ইয়াৰ দ্বাৰা অভীক্ষার্থী এগৰাকীয়ে চিয়াঁহীৰ চিহ্নবোৰ দেখি কি ধাৰণা কৰে সেয়া লিখি ৰখা হয়। তাৰপাছত সেই লিখিত খতিয়ানবোৰ মনোবৈজ্ঞানিক ব্যাখ্যা, জটিল এলগ'ৰিথমচ্ নাইবা দুয়োটা ব্যৱহাৰ কৰি বিশ্লেষণ কৰা হয়।
- কিছুমান মনোবিজ্ঞানীয়ে ব্যক্তিৰ ব্যক্তিত্ব, চাৰিত্রিক বৈশিষ্ট্য আৰু আবেগিক ক্রিয়া-কলাপ পৰীক্ষা কৰাৰ কাৰণে এই অভীক্ষাটো প্রয়োগ কৰে। অভীক্ষাটোৰে অর্ন্তনিহিত

চিন্তাৰ খাম-খেয়ালি, বিশেষকৈ যিসকল ব্যক্তি অথবা ৰোগীয়ে নিজৰ চিন্তা প্ৰক্ৰিয়া মুকলিকৈ বৰ্ণনা কৰিবলৈ অনিচ্ছুক তেঁওলোকৰ খাম-খেয়ালি চিন্তা ধৰা পেলোৱা হয়। এই অভীক্ষাটোৰ জনক আছিল ছুইছ মনোবিজ্ঞানী হাৰমান ৰৰছাক।

- কল্পনা শক্তি উদ্দীপিত আৰু পৰীক্ষা কৰিবলৈ ৰৰছাকে চিয়াঁহী দাগৰ অভীক্ষাটো প্ৰয়োগ কৰিবলৈ লৈছিল।
- প্ৰথমে এই কৌশলটো বিষয়বস্তু বিশ্লেষণৰ বাবে প্ৰয়োগ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত ৰৰছাকে বিষয়বস্তুৰ সলনি নিৰ্ণায়ক বিশ্লেষণৰ বাবে অভীক্ষাটো প্ৰয়োগ কৰাৰ ওপৰত জো�ৰ দিছিল।
- ৰৰছাক অভীক্ষাত ১০ খন কাৰ্ড ব্যৱহাৰ কৰা হয়।
- মনোবিশ্লেষক সকলক ধাৰণা আৰু অৰ্থ বুজাত প্ৰভাৱিত কৰা অসচেতন কাৰকবোৰৰ অধ্যয়নৰ বাবে ৰৰছাকে এই অভীক্ষা আৰু পদ্ধতিটো ব্যৱহাৰিক আহিলাৰূপে বিকশাই তুলিছিল। ইয়াৰ আন এটা উদ্দেশ্য আছিল ব্যক্তিত্ব তথা আচৰণৰ গতিশীল কাৰকবোৰ প্ৰকট কৰা। এই অভীক্ষাটো প্ৰয়োগ কৰাৰ সময়ত বিশ্বাস কৰা হয় যে অভীক্ষাৰ্থীৰ প্ৰতিটো পাৱদৰ্শিতাই তেঁওৰ সামগ্ৰিক ব্যক্তিত্বৰ একো একোটা অভিব্যক্তি।
- মহীচিহ্ন পদ্ধতিটোৰে অভিজ্ঞ, দক্ষ আৰু ব্যুৎপত্তি আৱহণ কৰা মনোবিশ্লেষক সকলে ৰৰছাক প্ৰট'কলৰ পৰা অভাৱনীয় ধৰণৰ সঠিক আৰু যুক্তিসংগত ব্যখ্যা আগবঢ়াব পাৰে। কিন্তু ই এটা বিষয়নিষ্ঠ কথা।
- কাহিনী সংবোধন অভীক্ষা (TAT) হ'ল এটা প্ৰক্ষেপীয় মনোবৈজ্ঞানিক অভীক্ষা। ই মানুহৰ কল্পনা কৰিব পৰা ক্ষমতা বিকাশ ঘটায়।
- TAT কৌশলৰ সমৰ্থকসকলৰ মতে এই অভীক্ষাত অংশগ্ৰহণ কৰা অভীক্ষাৰ্থীৰ সঁহাৰিৰ পৰা মনোজগতত অৰ্ন্তনিহিত অভিপ্ৰায় আৰু চিন্তা-উদ্বেগ আদি প্ৰকাশ পায়। লগতে মানুহৰ অস্পষ্ট / দুৰ্বোধ্য ছবিৰ দ্বাৰা সৃষ্ট কাহিনীৰে অভীক্ষাৰ্থীয়ে কেনেদৰে সামাজিক পৃথিৱীখনক চায় সেয়াও ধৰিব পাৰি। ঐতিহাসিকভাৱে TAT হ'ল এটা বহুলভাৱে গৱেষণা চলা, শিকোৱা আৰু প্ৰয়োগ কৰা অভীক্ষা।
- ১৯৩০ ৰ দশকত আমেৰিকান মনোবিজ্ঞানী হেনৰী এ. মুৰে' আৰু মনোবিশ্লেষক ক্ৰিষ্টিনা ডি. মৰগানে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ হাৰ্ভাৰ্ড ক্লিনিকত কাহিনী সংবোধন অভীক্ষাটো (TAT) বিকশাই তুলিছিল।
- TAT হ'ল এটা প্ৰক্ষেপিত পদ্ধতি আৰু ইয়াত ৩০ খন ছবি সম্বলিত কাৰ্ড থাকে।
- অভীক্ষাটোত অংশগ্ৰহণ কৰা অভীক্ষাৰ্থীক জনোৱা হয় যে এইটো এটা কল্পনা শক্তিৰ লৈ কৰা অভীক্ষা। অভীক্ষাৰ্থীয়ে নিজে ভালপোৱা ধৰণে কাহিনী তৈয়াৰ কৰিব পাৰিব। কোনো সঁহাৰিকে ভুল অথবা শুদ্ধ বুলি বিচাৰ কৰা নহয়।

- অভীক্ষাটোত এবাৰত এখনকৈ ছবি দেখুওৱা হয়। অভীক্ষার্থীক বুজাই দিয়া হয় যে প্রতিখন কার্ডতে একো একোটা দৃশ্য আছে।
- ব্যক্তিৰ TAT সঁহাৰিবোৰ মূল্যায়ন কৰাৰ কোনো স্বীকৃত পন্থা নাই। প্রতিটো মূল্যায়নেই সম্পূর্ণ বিষয়নিষ্ঠ। কাৰণ, প্রতিটো সঁহাৰিয়েই একক বৈশিষ্ট্য পূর্ণ। সেয়েহে এই অভীক্ষাটোৰ ক্ষেত্রত বৈধতা আৰু ভাৰসাযোগ্যতাৰ দিশ দুটাই সবাতোকৈ ডাঙৰ প্রশ্নৰ সৃষ্টি কৰি আহিছে।



৪.৭ প্রসংগ পুথি

1) Freeman, Frank S (1965): Theory and Practice of Psychological Testing, Oxford & IBH Publishing Co.Pvt.Ltd
2) en.wikipedia.org/wiki/**Rorschach**_test
3) en.wikipedia.org/wiki/**Thematic_Apperception_Test**
4) www.wikimedia. org images



৪.৮ আৰ্হি প্রশ্ন

পৰীক্ষা কৰকঃ

প্রশ্ন ১ ঃ ব্যক্তিত্ব প্রক্ষেপিত কৰাৰ বাবে থকা ৰৰছাক মহীচিহ্ন অভীক্ষাটোৰ কার্যপদ্ধতিবোৰ কেনেকুৱা? আলোচনা কৰক।

প্রশ্ন ২ ঃ ব্যক্তিত্ব প্রক্ষেপিত কৰাৰ বাবে থকা কাহিনী সংবোধন অভীক্ষাটোৰ কার্যপদ্ধতিবোৰ কেনেকুৱা? আলোচনা কৰক।

প্রশ্ন ৩ ঃ ৰৰছাক মহীচিহ্ন অভীক্ষা আৰু কাহিনী সংবোধন অভীক্ষা দুটাক আপুনি বৈধ আৰু ভাৰসাযোগ্য বুলি নাভাবে নেকি? আলোচনা কৰক।

*** ***** ***